**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 23-05-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

***Headlines***

১। বাংলাদেশ সীমান্তৰে অনুপ্ৰৱেশ ৰোধ কৰাৰ বাবে সমন্বিত ৰণনীতি প্ৰস্তুত কৰাৰ উদ্দেশ্যে অসম, ত্ৰিপুৰা আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰীৰ সৈতে শীঘ্ৰেই উচ্চ পৰ্যায়ৰ বৈঠকৰ পৰিকল্পনা।

২। ৰাজহুৱা খণ্ডৰ তৈল বিপণন কোম্পানীসমূহে চাহিদা বৃদ্ধিৰ মাজতে পেট্ৰ’ল-ডিজেল আৰু ৰন্ধন গেছৰ যোগান সুনিশ্চিত কৰাৰ বাবে সমন্বিতভাৱে কাম কৰি আছে।

৩। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ২০২৫-২৬ পৰ্যটন বৰ্ষ অহা ২৯ মে’ত অন্ত।

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ আৰু পঞ্জাৱ কিংছৰ খেল।

০০০০০০০

বাংলাদেশ সীমান্তৰে অনুপ্ৰৱেশ ৰোধ কৰাৰ ক্ষেত্ৰত সমন্বিত ৰণনীতি প্ৰস্তুত কৰাৰ বাবে অসম, ত্ৰিপুৰা আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰীৰ সৈতে শীঘ্ৰেই এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত কৰি পৰিকল্পনা যুগুত কৰা হ’ব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি সীমান্ত সুৰক্ষা বাহিনী আৰু ৰুস্তমজী স্মাৰক বক্তব্য প্ৰদান অনুষ্ঠানত ভাষণ দি শ্ৰী শ্বাহে কয়, যে অনুপ্ৰৱেশৰ সমস্যা হৈছে দেশৰ অন্যতম বৃহৎ অন্তৰ্বৰ্তী নিৰাপত্তা প্ৰত্যাহ্বান আৰু কেন্দ্ৰীয় চৰকাৰে অবৈধ অনুপ্ৰৱেশকাৰীয়ে যাতে সীমান্ত অঞ্চলৰ জনগাঁথনি সলনি কৰিব নোৱাৰে, সেয়া সুনিশ্চিত কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। অসম, ত্ৰিপুৰা আৰু পশ্চিমবংগকে ধৰি বাংলাদেশৰ সৈতে সীমান্ত ভাগ-বটোৱাৰা কৰা ৰাজ্য চৰকাৰসমূহে এই ক্ষেত্ৰত সমন্বিতভাৱে কাম কৰি আছে বুলি গৃহমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে অনুপ্ৰৱেশকাৰী ৰোধৰ বাবে অনাগত সময়ত এই ৰাজ্যকেইখনৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে আলোচনাত মিলিত হ’ব বুলি জানিবলৈ দিয়ে।

০০০০০০০

অসমকে ধৰি দেশৰ অন্যান্য প্ৰান্তত ইন্ধনৰ চাহিদা হঠাৎ বৃদ্ধিৰ সময়তে পেট্ৰ'ল-ডিজেল আৰু ৰন্ধন গেছৰ যোগান সুনিশ্চিত কৰাৰ বাবে ৰাজহুৱা খণ্ডৰ তৈল বিপণন কোম্পানী IOCL, BPCL আৰু HPCL-এ সমন্বিতভাৱে কাম কৰি আছে। বিভিন্ন ৰাজ্যত ঋতুভিত্তিক কৃষি আৰু খেতি চপোৱাৰ পৰিপ্ৰেক্ষিতত শেহতীয়াকৈ তৈল বিপণন কোম্পানীসমূহত পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ চাহিদা যথেষ্ট বৃদ্ধি পোৱা পৰিলক্ষিত হয়। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি এই তৈল বিপণন কোম্পানীসমূহে ডিপো, পাইপলাইন, এল পি জি বটলিং প্লাণ্ট আৰু খুচুৰা বিপণীসমূহৰ জৰিয়তে ইন্ধনৰ নিৰৱচ্ছিন্ন যোগান অব্যাহত ৰখাৰ প্ৰয়াস কৰিছে। ইন্ধন বিতৰণৰ সুবিধা তথা নিৰৱচ্ছিন্ন যোগান নিশ্চিত কৰাৰ বাবে কোম্পানীসমূহে ৰাজ্যসমূহৰ সৈতে সমন্বয় বজাই ৰাখিছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় পৰ্যায়ত বিগত ৩ দিনত ১ কোটি ৩২ লাখ ৰন্ধন গেছৰ চিলিণ্ডাৰ বুকিং হোৱাৰ বিপৰীতে ১ কোটি ৩৪ লাখ চিলিণ্ডাৰ যোগান ধৰা হৈছে।

০০০০০০০

দেশৰ ৪৭টা স্থানত আজি ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ঊনবিংশ ৰোজগাৰ মেলাৰ জৰিয়তে দেশৰ ৫১ হাজাৰৰো অধিক নৱ নিযুক্ত যুৱক-যুৱতীক নিযুক্তি পত্ৰ প্ৰদান কৰিছে। এই প্ৰাৰ্থীসকলে ৰে'ল মন্ত্ৰালয়, গৃহ পৰিক্ৰমা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়, অৰ্থনৈতিক সেৱা দপ্তৰ, উচ্চ শিক্ষা বিভাগকে ধৰি বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত নিযুক্তি লাভ কৰিছে।

অসমতো উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ তত্বাৱধানত আজি গুৱাহাটীৰ মালিগাঁওস্থিত ৰং ভৱন প্ৰেক্ষাগৃহত ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ জনসম্পৰ্কৰক্ষী বিষয়াই জনোৱা মতে অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ২০২৫-২৬ পৰ্যটন বৰ্ষৰ অহা ২৯ মে'ত অন্ত পৰিব। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই পৰহিলৈ উদ্যান বন্ধ কৰাৰ বাবে পূৰ্বে সিদ্ধান্ত গ্ৰহণ কৰিছিল যদিও পৰ্যটকৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি এই সময়সীমা বৃদ্ধি কৰে। উল্লেখযোগ্য যে কাজিৰঙা হোটেল আৰু ৰিজৰ্ট সংস্থাই পৰ্যটন বৰ্ষৰ সময়সীমা বৃদ্ধিৰ বাবে দাবী জনোৱাৰ পৰিপ্ৰেক্ষিতত উদ্যান কৰ্তৃপক্ষই এই সিদ্ধান্ত লয়।

০০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ অহা ২৫ মে'ত পৰৱৰ্তী শুনানি গ্ৰহণ কৰিব। ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠত অনুষ্ঠিত শুনানিত কালি জ্যেষ্ঠ অধিবক্তা প্ৰাণ বৰাই অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ সপক্ষে যুক্তি প্ৰদৰ্শনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰে। পৰহিলৈ হ'বলগীয়া শুনানিত অসম চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়া আৰু জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিশেষ লোক অধিবক্তা জীয়াউল কামাৰে অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ বিপক্ষে যুক্তি দৰ্শাব। ইপিনে, উচ্চ ন্যায়ালয়ৰ পূৰ্বৰ নিৰ্দেশ অনুসৰি কালি আদালতত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ ভিত্তিত কেছ ডায়েৰীৰ লগতে নিম্ন আদালতৰ নথি-পত্ৰ দাখিল কৰা হয়।

০০০০০০০

বিধান সভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে দখলকাৰীৰ বিৰুদ্ধে কঠোৰ আইনৰ পোষকতা কৰিছে। ষোড়শ অসম বিধান সভাৰ অধ্যক্ষ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত আজি সপত্নীক বৰপেটা সত্ৰ পৰিদৰ্শন কৰি শ্ৰী দাসে কয় যে সত্ৰ ভূমি যি সকলে দখল কৰি আছে তেওঁলোকে নিজে সেই স্থানৰ পৰা আঁতৰি যোৱা উচিত। অন্যথা চৰকাৰে ব্যৱস্থা ল'বলৈ বাধ্য হ'ব। তেওঁ লগতে সত্ৰৰ ভূমি দখল ৰোধ কৰাৰ বাবে কঠোৰ আইন হ'ব লাগে বুলি মন্তব্য কৰে। অনাগত সময়ত বৰপেটা সমষ্টিৰ বিধায়ক দীপক কুমাৰ দাসৰ সৈতে মিলি বৰপেটাৰ উন্নয়নত মনোনিৱেশ কৰিব  বুলি তেওঁ প্ৰকাশ কৰে।

oooooooo

শক্তিপীঠ কামাখ্যা দেৱালয়ত অহা ২২ জুনৰ পৰা অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে ২২ জুনৰ নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হ'ব। ২৩, ২৪ আৰু ২৫ জুনত কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব। প্ৰতিবছৰৰ দৰে এইবাৰো অম্বুবাচীৰ সময়ত নীলাচলত দেশ-বিদেশৰ ভক্তৰ সমাগম হ'ব বুলি দেৱালয় কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে।

ooooooooo

কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা মন্ত্ৰালয় আৰু নীতি আয়োগৰ দ্বাৰা আয়োজিত বিকশিত ভাৰত বিল্ডাথন, ২০২৫ প্ৰতিযোগিতাত মৰিগাঁও জিলাৰ বিদ্যালয়ে সাফল্য লাভ কৰিছে। জিলাখনৰ মায়ং শিক্ষা খণ্ডৰ কাৰছোৱাবড়ী মধ্য ইংৰাজী বিদ্যালয়ে এই প্ৰতিযোগিতাত ৰাজ্যিক স্তৰত বঁটা লাভ কৰাৰ লগতে মৰিগাঁও ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ছহীদ সূৰ্য বৰা মাধ্যমিক বিদ্যালয়ে ক্ৰমে প্ৰট'টাইত আৰু আৰ্হিৰ বাবে জিলা পৰ্যায়ৰ বঁটা লাভ কৰিবলৈ সমৰ্থ হৈছে। উল্লেখযোগ্য যে বিকশিত ভাৰত বিল্ডাথন ২০২৫ হৈছে ভাৰতৰ সৰ্ববৃহৎ বিদ্যালয় ভিত্তিক হেকাথন। ইয়াত ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে দেশৰ এক কোটিতকৈও অধিক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে।

ooooo

দক্ষিণ শালমাৰা মানকাছৰ জিলাৰ বৰাইৰ আলগা গাওঁ পঞ্চায়তত জৈৱ সাৰ প্ৰস্তুত সন্দৰ্ভত প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা জল আৰু পৰিচ্ছন্নতা সমিতিৰ উদ্যোগত আয়োজিত  প্ৰশিক্ষণ কাৰ্যসূচীত স্থানীয় লোক, আত্মসহায়ক গোটৰ সদস্য আৰু কৃষকসকলে অংশগ্ৰহণ কৰে। কাৰ্যসূচীত জিলা কৃষি বিষয়া মইনুল হকে জৈৱ আৱৰ্জনাৰ সঠিক ব্যৱস্থাপনা, কেঁচু সাৰ প্ৰস্তুত আদি সন্দৰ্ভত বিষদভাৱে অৱগত কৰে। তেওঁ কয় যে মাটিৰ উৰ্বৰতা আতুত ৰখাৰ বাবে জৈৱ সাৰৰ প্ৰয়োগ বৃদ্ধি কৰাটো প্ৰয়োজন।

ooooooo

গুৱাহাটী মহানগৰীত ২৬ ডালকৈ দুষ্প্ৰাপ্য কেক' সাপ উদ্ধাৰ কৰা হৈছে। আৰক্ষীয়ে গোপন তথ্যৰ পম খেদি আন্তঃৰাজ্যিক বাছ আস্থানৰ পৰা বহিঃ ৰাজ্যলৈ সৰবৰাহ কৰা এই সাপ কেইডাল উদ্ধাৰ কৰে। উদ্ধাৰ কৰা সাপ কেইডালৰ বজাৰ মূল্য প্ৰায় ৩ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে।

oooooooo

লখিমপুৰ জিলাৰ নাওবৈচাত আজি নিচেই পুৱাতে গুৱাহাটীৰ পৰা কমলাবাৰী অভিমুখে গৈ থকা এখন বাছ দুৰ্ঘটনাত পতিত হয়। দুৰ্ঘটনাত এজন যাত্ৰী নিহত হোৱাৰ লগতে ৪৫ জনৰো অধিক যাত্ৰী আহত হয়। আমাৰ সংবাদদাতাই জনোৱা মতে বাছখনে ভাৰসাম্য হেৰুৱাই পথৰ কাষত বাগৰি পৰাত এই দুৰ্ঘটনাটো সংঘটিত হয়।

০০০০০০০

বিশ্বনাথ জিলাৰ গহপুৰৰ ভলুকাগুৰি পাৰঘাটত কালি ৰাজ্যিক দুৰ্যোগ সহাঁৰি বাহিনী, ৰাষ্ট্ৰীয় দুৰ্যোগ সহাঁৰি বাহিনী আৰু সেনা বহিনীৰ ম'কড্ৰিল কাৰ্যসূচী অনুষ্ঠিত হয়।বাৰিষাৰ সময়ত সম্ভাব্য বিপদৰ পৰা জনসাধাৰণক উদ্ধাৰ কৰাৰ লগতে অন্যান্য সহায় আগবঢ়োৱাৰ বাবে এই ম'কড্ৰিল কাৰ্যসূচী অনুষ্ঠিত হয়। তদুপৰি বানৰ সময়ত প্ৰয়োজন হোৱাকৈ নদীৰ বুকুত উদ্ধাৰ অভিযানৰো তেওঁলোকে আখৰা কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ দৃষ্টিপাত  অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত **সমাজ জীৱনত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ** সম্পৰ্কীয় এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অংশগ্ৰহণ কৰিব বিষয়বস্তুৰ বিশেষজ্ঞ ইন্দ্ৰনীল তালুকদাৰ আৰু কাব্যনীল তালুকদাৰে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টি ৰাণী ডেকাই। অনুষ্ঠানটিৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ পঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা হায়দৰাবাদত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুক ৫৫ ৰানত পৰাস্ত কৰে।

খেলখনত জয়লাভ কৰা সত্বেও ছানৰাইজাৰ্ছ হায়দৰাবাদ প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ তৃতীয় স্থানত থাকে। ইয়াৰ বিপৰীতে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু পইণ্টা তালিকাৰ শীৰ্ষত আছে।

০০০০০০০০

**সমাপ্ত**